অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় বুধবাৰ, ২৬ এপ্ৰিল, ২০২৩

# ডিব্ৰু কলেজত যোগদান অধ্যক্ষ ড° ৰঞ্জন চাংমাইৰ



**ষ্টাফ ৰিপৰ্টাৰ, ২৫ এপ্ৰিল ঃ** কানৈ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ৰঞ্জন চাংমায়ে আজি ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰে। ভাৰপ্ৰাপ্ত অধ্যক্ষ চন্দনা গগৈৰ পৰা আনুষ্ঠানিকভাৱে দায়িত্ব লোৱাৰ সময়ত উপস্থিত আছিল পৰিচালনা সমিতিৰ সদস্য অধ্যাপক ড° লক্ষীৰাম শইকীয়া আৰু কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া। ডিব্ৰুগড় জিলাৰ লেজাইৰ চেঁচা ন-গাঁৱৰ অৱসপ্ৰাপ্ত শিক্ষক পবিত্ৰ কুমাৰ চাংমাই আৰু যোগেশ্বৰী চাংমাইৰ জ্যেষ্ঠ পুত্ৰ ড° ৰঞ্জন চাংমায়ে জে বি কলেজত স্নাতক শিক্ষা গ্ৰহণ কৰাৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ শিক্ষা সমাপ্ত কৰি এম ফিল আৰু পি এইচ ডি সুখ্যাতিৰে উত্তীৰ্ণ হৈ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ত শিক্ষকতাৰ জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত সহকাৰী অধ্যাপকৰ পদত যোগদান কৰে। পিছলৈ সহযোগী অধ্যাপক হিচাপে পদোন্নতি হয়। ড° চাংমায়ে পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাপেও কানৈ মহাবিদ্যালয়ত কাৰ্যনিৰ্বাহ কৰিছিল। ছাত্ৰাৱস্থাৰ পৰাই নেতৃত্ব লোৱাৰ দক্ষতা থকা চাংমায়ে কলেজ শিক্ষক সন্থাৰো দায়িত্ব লোৱাৰ অভিজ্ঞতা আছে। তদুপৰি কানৈ মহাবিদ্যালয়ৰ বহু প্ৰশাসনিক কাম-কাজৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ একাডেমিক কাউঞ্চিলৰ সৈতে জড়িত আছিল। সম্প্ৰতি বিশ্ববিদ্যালয়ৰ বিত্ত সমিতি আৰু কৰ্টৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।